জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৪/২০২১**

**বিশিষ্ট সাহিত্যিক, পণ্ডিত, গৱেষক, অধ্যাপক ভৱপ্ৰসাদ চলিহাক ২০২০ বৰ্ষৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান কৰিলে মুখ্যমন্ত্ৰী সোণোৱালে**

# গুৰুজনাৰ আদৰ্শৰাজি বিশ্বৰ বুকুত প্ৰতিষ্ঠা কৰাৰ বাবে ৰাজ্য চৰকাৰে আৰম্ভ কৰিব 'শ্ৰীমন্ত শংকৰদেৱ অভিযান' ঃ মুখ্যমন্ত্ৰী

**নৱপ্ৰজন্মক সংস্কাৰৰ বাটেৰে অগ্ৰসৰ হোৱাৰ বাবে নামঘৰলৈ যোৱাৰ আগ্ৰহ বৃদ্ধি কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ আহ্বান**

**দিছপুৰ, ৩ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ৰাজ্য চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিশিষ্ট সাহিত্যিক, পণ্ডিত, গৱেষক, অধ্যাপক ভৱপ্ৰসাদ চলিহাক ২০২০ বৰ্ষৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান কৰে। শাৰীৰিক অসুস্থতাৰ বাবে বঁটা প্ৰদান অনুষ্ঠানত উপস্থিত থাকিব নোৱাৰা অধ্যাপক ভৱপ্ৰসাদ চলিহাৰ হৈ এই বঁটা গ্ৰহণ কৰে তেওঁৰ সহধৰ্মিনী নন্দিতা চলিহাই। এই বঁটাত আছে এখন প্ৰশস্তি পত্ৰ, এটা সোণৰ পদক, এখন শৰাই, অংগ বস্ত্ৰ আৰু ৫ লাখ টকাৰ চেক।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত বক্তব্য প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে গুৰুজনাৰ দৰ্শন, সৃষ্টিৰাজি বিশ্ব মানৱ সমাজক অৱগত কৰাৰ বাবে ৰাজ্য চৰকাৰে 'শ্ৰীমন্ত শংকৰদেৱ অভিযান' নামেৰে এক অভিযান আৰম্ভ কৰিব বুলিও ঘোষণা কৰে। এই ক্ষেত্ৰত সত্ৰাধিকাৰ, গুণী-জ্ঞানী তথা অসমৰ বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামত বসবাস কৰা সকলো শ্ৰেণীৰ জনসাধাৰণক আন্তৰিকতাৰে সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে তেওঁ আহ্বান জনায়। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে শিখ গুৰু গুৰুনানকৰ বিষয়ে আজি সমগ্ৰ বিশ্ব জ্ঞাত। কিন্তু বহুমুখী প্ৰতিভাৰ আকৰ জগতগুৰু শ্ৰীমন্ত শংকৰদেৱক আমি বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰিব নোৱাৰাটো বৃহত্তৰ অসমীয়া জাতিৰ দুৰ্বলতা। সেয়েহে গুৰুজনাক আমি বিশ্ব দৰবাৰত শক্তিশালীভাৱে প্ৰতিষ্ঠিত কৰাৰ বাবে সন্মিলিত প্ৰয়াস চলাব লাগিব আৰু ইয়াৰ বাবে ৰাজ্য চৰকাৰে এই অভিযান আৰম্ভ কৰিব বুলিও তেওঁ কয়।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে আমাৰ বৃহত্তৰ সমাজখনক শৃংখলাৱদ্ধ কৰি এক শক্তিশালী সমাজ নিৰ্মাণৰ বাবে গুৰুজনাই নামঘৰ প্ৰতিষ্ঠা কৰিছিল। এই নামঘৰ হ'ল অসমীয়া কৃষ্টি-সংস্কৃতি তথা সমাজ সংস্কাৰৰ এক ভেটি স্বৰূপ। সাম্প্ৰতিক সময়ত নৱ প্ৰজন্মক সংস্কাৰমুখী পথেৰে আগুৱাই নিব লাগিলে নামঘৰলৈ যোৱাৰ অভ্যাস প্ৰগাঢ় কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। নামঘৰ শক্তিশালী হৈ থাকিলে অসমীয়া সমাজ সদায়ে এক প্ৰাণৱন্ত সমাজ হিচাপে ভৱিষ্যতেও বৰ্তি থাকিব বুলি

মুখ্যমন্ত্ৰীয়ে কয়। গুৰুজনাক বিশ্বৰ বুকুত প্ৰতিষ্ঠা কৰিব লাগিলে এই কথা ভক্তিভাৱেৰে সকলোৱে উপলব্ধি কৰিব লাগিব বুলিও তেওঁ কয়। গুৰুজনাৰ আদৰ্শৰে আমাৰ ধ্যান-ধাৰণাত মূল্য সংযোজন কৰিব লাগিব বুলিও তেওঁ কয়। বিকাশৰ পদ্ধতিসমূহৰ সৈতে মানৱতা সংপৃক্ত হ'লেহে বিকাশৰ প্ৰকৃত সোৱাদ লাভ কৰিব পৰা যায় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে মানৱ সমাজক মানৱ প্ৰেমেৰে ধৰি ৰাখি এখন শক্তিশালী সমাজ নিৰ্মাণ কৰাৰ যাত্ৰাত অগ্ৰসৰ হ'বলৈও সকলোকে আহ্বান জনায়। শিক্ষাৰ জৰিয়তে গুৰুজনাৰ আদৰ্শ আৰু প্ৰমূল্যবোধ সমূহ নৱপ্ৰজন্মৰ মাজত চিনাকি কৰি দিয়াৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে মাধৱদেৱ বিশ্ববিদ্যালয়, অনিৰুদ্ধদেৱ বিশ্ববিদ্যালয় ইত্যাদিৰ দৰে বিশ্ববিদ্যালয়সমূহ স্থাপনৰ পদক্ষেপ লৈছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে শ্ৰীমন্ত শংকৰদেৱৰ সংঘক শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ জৰিয়তে গুৰুজনাৰ আদৰ্শৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে লোৱা উদ্যোগৰ শলাগ লয়। গুৰুজনাৰ আদৰ্শৰে বৰ্তমানৰ চৰকাৰখনৰ দিনত বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়াম একাকাৰ কৰি শক্তিশালী জাতি হিচাপে জীয়াই থকাৰ যি প্ৰৱণতা জাগ্ৰত হৈছে এয়া এক ইতিবাচক দিশ বুলিও তেওঁ কয়। বৰ্তমানৰ চৰকাৰখনে গুৰুজনাৰ আদৰ্শৰে সৰু-বৰ সকলো জাতি-জনগোষ্ঠীৰে মান-স্বাভিমান বৃদ্ধিৰে বৰ অসম নিৰ্মাণৰ বাবে নিষ্ঠা সহকাৰে কৰ্মত ব্ৰতী হৈছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে গুৰুজনাই প্ৰতিষ্ঠা কৰা মুকুতাসমূহ বৃহত্তৰ অসমীয়া জাতিয়ে বুটলিব লাগিব বুলিও কয় যাতে ভৱিষ্যতেও আমাৰ সমাজখন এক প্ৰাণৱন্ত সমাজ হিচাপে বিশ্বৰ বুকুত শক্তিশালীভাৱে মুৰ দাঙি থাকিব পাৰে।

সভাত ভাষণ প্ৰদান কৰি বিত্ত, স্বাস্থ্য ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে এই বঁটা প্ৰদানে আশাৰ বতৰা কঢ়িয়াই আনিছে। মহাপুৰুষ শংকৰদেৱ এনে এগৰাকী ব্যক্তি আছিল যি পোন্ধৰশ শতিকাত ভক্তিবাদৰ এক বাৰ্তা প্ৰেৰণ কৰি থৈ গৈছে। আধ্যাত্মিকতাৰ লগতে সাহিত্য আৰু সংস্কৃতিৰ মাজেৰে দৰ্শন প্ৰদান কৰি গৈছে। গুৰুজনাই বৰদোৱাৰ পৰা আধ্যাত্মিক যাত্ৰা আৰম্ভ কৰি হৰিভক্তিৰ সমল আহৰণ কৰি ভক্তি আন্দোলনৰ নৱজাগৰণৰ সৃষ্টি কৰিছিল। মহাপুৰুষগৰাকীয়ে সাহিত্য, সংস্কৃতিক প্ৰাণ দিছিল। বৃন্দাবনী বস্ত্ৰৰ জৰিয়তে আমাৰ বয়ন শিল্পৰ ঐতিহ্যক বিশ্বদৰবাৰলৈ নিছিল। শংকৰদেৱক জাতীয় জীৱনৰ মহানায়ক, প্ৰাণ প্ৰতিষ্ঠাপক বুলি উল্লেখ কৰি গুৰুজনাই কৃষ্ণ ভক্তিক মানুহৰ মাজত প্ৰতিষ্ঠা কৰিছিল বুলিও মন্ত্ৰীগৰাকীয়ে কয়। গুৰুজনাই অসম আৰু ভাৰতৰ ঐক্যতান অনুভৱ কৰিব পাৰিছিল বুলি উল্লেখ কৰি কয় যে মহাপুৰুষ মাধৱদেৱে গুৰুজনাৰ আদৰ্শ আমাৰ আগত দাঙি ধৰিছিল। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে অসম দৰ্শন আঁচনিকে ধৰি ৰাজ্য চৰকাৰে অসমৰ আধ্যাত্মিক স্থানসমূহৰ বাবে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে উল্লেখ কৰে।

সভাত ভাষণ প্ৰদান কৰি সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলেই কয় যে শ্ৰেণীবিহীন মানৱ সমাজ নিৰ্মাণ কৰি গৈছে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে। গুৰুজনাৰ মহান আদৰ্শক ভাৰতবাসীৰ মাজলৈ নিবলৈ ৰাজ্য চৰকাৰে গুৰুজনাৰ স্মৃতিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ এই বঁটা প্ৰদান কৰি আহিছে। তেওঁ কয় যে মহাপুৰুষগৰাকীৰ সমন্বয়ৰ আদৰ্শৰে ৰাজ্য চৰকাৰে জনগোষ্ঠীয় সমন্বয় আৰু উত্তৰণৰ বাবে কাম কৰি আহিছে। তেওঁ ৰাজ্য চৰকাৰে ৰাজ্যখনৰ সাংস্কৃতিক বিকাশৰ বাবে লোৱা পদক্ষেপৰ বিষয়েও বিস্তৃতভাৱে আলোকপাত কৰে।

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল তথা অন্যান্য অভ্যাগতসকলৰ দ্বাৰা বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা উক্ত অনুষ্ঠানৰ আৰম্ভণিতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিৰচিত এটি বৰগীত পৰিৱেশন কৰা হয়। উক্ত অনুষ্ঠানতে অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰকাশ কৰি উলিওৱা স্মৃতিগ্ৰন্থ এখনো মুখ্যমন্ত্ৰীয়ে আনুষ্ঠানিকভাৱে শুভ উন্মোচন কৰে। অনুষ্ঠানত ভৱপ্ৰসাদ চলিহাই লাইভ ভিডিঅ'ৰ জৰিয়তে বঁটা লাভ কৰি পোৱা অনুভৱ ব্যক্তি কৰি প্ৰদান কৰা ভাষণো সম্প্ৰচাৰ কৰা হয়। অনুষ্ঠানত বঁটা প্ৰাপক ভৱপ্ৰসাদ চলিহাৰ দ্বাৰা ৰচিত এটি সমবেত সংগীতো পৰিৱেশন কৰাৰ উপৰি তেখেতৰ জীৱন আৰু কৰ্মৰাজি সামৰি সাংস্কৃতিক সঞ্চালকালয়ৰ দ্বাৰা প্ৰস্তুত কৰা এখন ছুটী তথ্য চিত্ৰও প্ৰদৰ্শন কৰা হয়।

ৰাজ্য চৰকাৰৰ মুখ্য সচিব জিষ্ণু বৰুৱাই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত সাংসদ কুইন ওজা, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ আয়ুক্ত সচিব প্ৰীতম শইকীয়া, ২০১৭ বৰ্ষৰ শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰাপক বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়া বশিষ্ঠ দেৱ শৰ্মা, মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দ্দন দেৱগোস্বামী, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰকে ধৰি অন্যান্য প্ৰতিনিধিসকল, সত্ৰাধিকাৰসকল, আধ্যাত্মিক গুৰু, অসম সত্ৰ মহাসভাৰ প্ৰতিনিধি প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**বঃভাঃ / পুঃডেঃ**
**০৩-০১-২০২১**